নৃতত্ত্ব হল মানব সম্পর্কে করা অতীত, বর্তমান এবং ভবিষ্যতের অধ্যয়ন করার আধুনিক বৈজ্ঞানিক বিষয়। ইহাকে মানব বিজ্ঞান বুলি কোৱা হয়। নৃতত্ত্বর অর্থ হৈছে নৃ মানে মানব আৰু তত্ত্ব মানে হৈছে বিজ্ঞান। ইংৰাজী ভাষাত নৃতত্ত্বক এনথ্ৰপলজী (Anthropology) বুলি কোৱা হয়। এনথ্ৰ'পলজি দুটা গ্ৰীক শব্দ এনথ্ৰপছ (Anthropos) বা মানুহ আৰু (Logos) বা বিজ্ঞান, এই দুটা শব্দ সংযোজন হৈ নৃতত্ত্ব শব্দটো হৈছে। গ্ৰীক দাৰ্শনিক পণ্ডিত এৰিষ্টটলে (Aristotle, 384-322 B.C) প্ৰথম সময়ত এনথ্ৰ'পলজি (Anthropology) শব্দটো ব্যৱহাৰ কৰিছিল।

নৃতত্ত্বৰ সংজ্ঞা বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে আগবঢ়াইছিল। মাৰ্কিন নৃতাত্ত্বিক ফ্ৰেঞ্জ বয়াছ আছিল নৃতত্ত্বৰ প্ৰথম অধ্যাপক। মাৰ্কিন নৃতত্ত্ববিদ (Franz Boas) ফ্ৰেঞ্জ বয়াছৰ মতে, "নৃতত্ত্বই সামাজিক প্ৰাণী হিচাপে মানুহক অধ্যয়ন কৰে।" (Anthropology deals with man as a social being). বিখ্যাত নৃতাত্ত্বিক এ.এল ক্ৰোবাৰ (A.L. Kroeber) মতে "নৃতত্ত্ব মানুহ, তেওঁৰ কৰ্ম আৰু আচৰণৰ বিষয়ে অধ্যয়ন কৰা এক বিজ্ঞান"। (The Science of man, his works and behaviour). নৃতত্ত্বই হিচাপে পৃথিৱীৰ সকলো মানৱগোষ্ঠী মনুষ্য, সমাজ, সংস্কৃতি আৰু প্ৰাকৃতিক আৰু পাৰস্পৰিক লক্ষণ আদিৰ সামূহিক আৰু তুলনা মূলক অধ্যয়ন কৰে। বিখ্যাত নৃতাত্ত্বিক ৰেল্ফ বিলছ আৰু হেৰিহোইজাৰে (Ralph L. Beals and Harry Hoijer,

মতে, নৃতত্ত্ব হৈছে অতীত আৰু বৰ্তমানৰ সকলো
সকলো মানৱ গোষ্ঠী আৰু তেওঁলোকৰ বিভিন্ন কৰ্ম
আৰু কাৰ্যাৱলীৰ সম্পৰ্কে অধ্যয়ন। (Anthropology is
concerned with all human beings past and present
and all of their works and activities). বিখ্যাত
নৃতাত্ত্বিক এম. জে. হাৰস্কোভিটছৰ ~~মতে~~ (M.J. Herskovits)
মতে নৃতত্ত্ব হ'ল, মানুহ আৰু তেওঁৰ কাৰ্যসমূহৰ
অধ্যয়ন। (Anthropology is the study of man and
his works)। যিহেতু নৃতত্ত্বই মানৱ জীৱনৰ সকলো
দিশ সুসংবদ্ধ: সুষম ভাৱে বৈজ্ঞানিক দৃষ্টিভংগীৰে
ব্যাখ্যা কৰে কাৰণ পৃথিৱীৰ সকলো পৰিবেশ, সকলো
জলবায়ুত, প্ৰায় সকলোতে মানুহ জীয়াই থাকে। যিহেতু
মানৱ অধ্যয়নৰ এটা অতিব বিষয়।

নৃতত্ত্বক প্ৰধানকৈ দুটা ভাগত ~~ভাগ~~ কৰিব
পাৰি বা নৃতত্ত্বৰ প্ৰধানকৈ দুটা ভাগত বিভক্ত। শাৰীৰিক
নৃতত্ত্ব আৰু সাংস্কৃতিক নৃতত্ত্ব। শাৰীৰিক নৃতত্ত্ব বা
(Physical Anthropology) ক আকৌ চাৰিটা ~~ভাগত~~ উপ-ভাগ
বিভক্ত, যেনে- নৃ-জীৱতত্ত্ব (Human Biology) মানৱ
আনুবংশিক বিজ্ঞান (Human Genetics) প্ৰজাতিতত্ত্ব
(Racial Anthropology) আৰু মানৱ বিৱৰ্তন
(Human evolution). শাৰীৰিক নৃতত্ত্বৰ দৰেই
সাংস্কৃতিক (cultural Anthropology) নৃতত্ত্বক চাৰিটা
প্ৰধান উপভাগত ভাগ কৰিব পাৰি। সেই কেইটা হ'ল-
সামাজিক নৃতত্ত্ব (Social Anthropology) প্ৰাগৈতিহাসিক
নৃতত্ত্ব বা প্ৰাগৈতিহাসিক প্ৰত্নতত্ত্ব (Prehistoric Anthropology
or prehistory Archaeology) নৃ-গোষ্ঠীতত্ত্ব (Ethnology)

সামাজিক নৃতত্ত্ব হল সাংস্কৃতিক নৃতত্ত্বৰ এটা প্ৰধান শাখা। মানুহ হৈছে এক সামাজিক প্ৰাণী। মানুহে সমাজ পাতি থাকিবলৈ ভাল পায়। যিহেতু নৃতত্ত্বই মানুহক সকলো সময়তে আৰু সকলো ঠাইতে অধ্যয়ন কৰে। সামাজিক নৃতত্ত্বই মানৱ সমাজৰ সকলো দিশ সামগ্ৰিকভাৱে পুংখানুপুংখভাৱে অধ্যয়ন কৰে। সামাজিক নৃতত্ত্বই সকলো শ্ৰেণীৰ মানুহৰ সমাজ আৰু সংস্কৃতিৰ বিষয়ে প্ৰণালীবদ্ধভাৱে বৈজ্ঞানিক ভিত্তিত অধ্যয়ন কৰে।

প্ৰকৃততে সামাজিক নৃতত্ত্বৰ অধ্যয়ন আন উপশাখা বিলাকতকৈ শেষৰ ~~[illegible]~~ ফালে বা ১৯ শতিকাৰ শেষ ভাগত ইংলেণ্ডত আৰম্ভ হৈছিল। যিহেতু Social Anthropology বা সামাজিক নৃতত্ত্ব নামটো প্ৰথমতে ইংলেণ্ডত ~~[illegible]~~ প্ৰচলন আৰম্ভ হৈছিল। ~~Sir James~~ চাৰ জেমছ ফ্ৰেজাৰেই (Sir James Frazer) সামাজিক নৃতত্ত্বৰ প্ৰথম সন্মানীত অধ্যাপক আছিল। তেওঁ ইংলণ্ডৰ বিখ্যাত লিভাৰপুল বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল। (1854 – 1941) (Social Anthropology) বা সামাজিক নৃতত্ত্ব নামটো তেওঁতেই প্ৰথম ব্যৱহাৰ কৰিছিল। ফ্ৰেজাৰৰ ~~বিখ্যাত~~ পৃথিৱী বিখ্যাত গ্ৰন্থখন " The Golden Bough" এই গ্ৰন্থখন তেওঁ ১৮৯০ চনত প্ৰকাশ কৰিছিল। এই গ্ৰন্থখনৰ মূল বিষয় বস্তু আছিল পৃথিৱীৰ বিভিন্ন সমাজৰ ধৰ্মীয় বিশ্বাস আৰু আচাৰ। যিহেতু ১৯০৮ চনত ইংলণ্ডৰ লিভাৰপুল বিশ্ববিদ্যালয়ত পোন প্ৰথম বাৰৰ বাবে চাৰ জেমছ ফ্ৰেজাৰক (Sir James Frazer) ক সামাজিক নৃতত্ত্বৰ

যিহেতু, সামাজিক নৃতত্ত্বৰ অধ্যয়ন ১৯ শতিকাৰ মাজ ভাগৰ পৰাহে আৰম্ভ হয় সেয়েহে এই বিষয়টো নৃতত্ত্ব অন্য বিষয় বোৰতকৈ নতুন। বিভিন্ন পণ্ডিতে বিভিন্ন সময়ত সামাজিক নৃতত্ত্বৰ সংজ্ঞা আৰু ব্যাখ্যা আগ বঢ়াইছে। ইয়াৰ উপৰিও সামাজিক নৃতত্ত্বৰ অধ্যয়নৰ উদ্দেশ্য (Aim) আৰু পৰিসৰৰ (Scope) ৰ বিষয়ে পণ্ডিত সকলে নিজ নিজ মতামত আৰু ব্যাখ্যা আগবঢ়াই আহিছে।

সামাজিক নৃতত্ত্বই মানৱ সমাজক সকলোদিশে সামগ্ৰীক ভাৱে অধ্যয়ন কৰে। সেয়েহে নৃতত্ত্বৰ প্ৰথম তাত্ত্বিক জেমছ ফ্ৰেজাৰৰ মতে সামাজিক নৃতত্ত্ব হল সমাজৰ ভিত্তিত মানুহৰ বিষয়ে অধ্যয়ন আৰু সমাজ বিজ্ঞানৰে এটা প্ৰকাশ। আদিম সমাজৰ সমাজতাত্ত্বিক অধ্যয়নেই হৈছে সামাজিক নৃতত্ত্ব। প্ৰখ্যাত নৃতাত্ত্বিক ব্ৰনিস্ল মেলিনাস্কি (Bronislow Malinowski (1884-1942) এ সামাজিক সংজ্ঞা এই দৰে আগবঢ়াইছে। তেওঁৰ মতে সামাজিক নৃতত্ত্ব সমাজ বিজ্ঞানৰ এটা শাখা আৰু এই শাখাই আদিম জনগোষ্ঠীয় সমাজৰ সম্বন্ধে অধ্যয়ন কৰে। প্ৰখ্যাত ইংৰাজ সামাজিক নৃতাত্ত্বিক এ. আৰ ৰেডক্লিফ ব্ৰাউন (A.R. Radclive-Brown (1881-1955) মতে "সামাজিক নৃতত্ত্বই সমগ্ৰ মানৱ সমাজৰ প্ৰকৃতিৰ বিষয়ে অধ্যয়ন কৰিবলৈ অনুসন্ধান কৰে। এই অনুসন্ধান কৰিবলৈ যাওঁতে বিভিন্ন প্ৰকাৰৰ সমাজক প্ৰণালীবদ্ধ ভাৱে তুলনামূলক অধ্যয়ন কৰা হয়।" A.R. Radcliff Brown (1952)
" Social anthropology is that branch of Sociology which deals with primitive or preliterate Society."

of Society. This discipline of anthropology involves the comparative study of social systems and how they work? - ৰেডক্লিফ-ব্ৰাউনে ও সামাজিক নৃতত্ত্ব তত্ত্বসমূহ তুলনামূলক অধ্যয়নৰ গুৰুত্ব আৰোপ কৰিছে। তেওঁ বিশেষকৈ আদিম, বন্য বা নিৰক্ষৰ সমাজৰ ওপৰত বিশেষ ভাবে গুৰুত্ব আৰোপ কৰিছে। ৰেডক্লিফ-ব্ৰাউনৰ মতে, তুলনামূলক অধ্যয়নৰ যোগেদি সামাজিক নৃতত্ত্বত অসংখ্য প্ৰকাৰৰ সামাজিক জীৱনৰ অনুসন্ধান কৰা হয় আৰু ই মানৱ সমাজৰ বিষয়ে অধ্যয়নত সহায় কৰে।

ৰেমণ্ড ফাৰ্থ (Raymond Firth, 1951) এজন প্ৰখ্যাত ব্ৰিটিছ নৃতাত্ত্বিক আছিল। তেওঁ প্ৰখ্যাত নৃতাত্ত্বিক মেলিনস্কিৰ (Malinowski)ৰ ছাত্ৰ আছিল। ৰেমণ্ড ফাৰ্থে সামাজিক নৃতত্ত্বৰ সংজ্ঞা দিওঁতে বিশেষকৈ তুলনামূলক অধ্যয়ন পদ্ধতিৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। তেওঁ সামাজিক নৃতত্ত্বৰ সংজ্ঞা এই দৰে আগ বঢ়াইছে, সামাজিক পৰিৱেশত জন সমষ্টিৰ আচাৰ ব্যৱহাৰৰ বিষয়ে যুক্তি সংগত তুলনামূলক অধ্যয়ন সামাজিক নৃতত্ত্বৰ মূল লক্ষ্য। আৰু সামাজিক নৃতত্ত্বই মানৱ সমাজৰ সকলো প্ৰক্ৰিয়াক তুলনামূলক ভাবে অধ্যয়ন কৰে। According to Raymond Firth, "one of the broadest ways of describing social anthropology is to say that it studies human social process comparatively".

অন্যতম সামাজিক নৃতত্ত্ববিদ্ ইভান্স প্ৰিটচাৰ্ড (E.E. Evans Pritchard: 1902-1974) মতে সামাজিক নৃতত্ত্ব হৈছে মানুহৰ সামাজিক আচৰণসমূহৰ বিষয়ে [illegible] অধ্যয়ন। সামাজিক নৃতত্ত্ব বৰ্তমান যুগৰ

সমাজ নৃতত্ত্ব, আদিমৰ সমাজ নৃতত্ত্বৰ অধ্যয়ন সামাজিক নৃতত্ত্বই সমাজবিজ্ঞান। According to E.E. Evans Pritchard (1951), " Social anthropology can be regarded as a branch of sociological studies, that branch which chiefly devotes itself to primitive societies".

আনহাতে সামাজিক নৃতত্ত্ববিদ ৰাল্ফ পিডিংটনৰ (Ralph Piddington) বিখ্যাত গ্ৰন্থ 'An Introduction to Social Anthropology' (1952) ত সামাজিক নৃতত্ত্বৰ বিষয়ে এইদৰে কৈছে, " Social Anthropologists study the cultures of contemporary primitives societies". তেওঁ কৈছে যে সামাজিক নৃতাত্ত্বিক সকলে আদিম-সমাজৰ আৰু সংস্কৃতি সমসাময়িক সমাজৰ বিষয়ে অধ্যয়ন কৰে। ইয়াৰ উপৰিও তেওঁৰ মতে প্ৰাগৈতিহাসিক যুগৰ অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক জীৱন কেনে আছিল সেই বিষয়ে অতি সামান্যভাৱে জনাটো সম্ভৱ হয়। এচ. এফ. নাডেলৰ মতে (S.F. Nadel: 1966) "সামাজিক নৃতত্ত্বৰ অধ্যয়নৰ মূল উদ্দেশ্য হৈছে আদিম মানৱৰ বিষয়ে, বুজি সামাজিক পদ্ধতিৰ তেওঁলোকৰ সংস্কৃতিৰ লগতে জীৱনৰ ধাৰা। " The Primary object of Social anthropology is to understand primitive peoples, the culture they have created and the social system, in which they live and act.".

সামাজিক নৃতত্ত্বই সমাজৰ বিভিন্ন দিশসমূহ সংস্কৃতিৰ লগত সংগতি ৰাখি সামগ্ৰিক ভাৱে অধ্যয়ন কৰে। সামাজিক নৃতত্ত্বই মানুহৰ দৈনন্দিন জীৱনৰ আচৰণ সমূহ আৰু বিভিন্ন সামাজিক অনুষ্ঠান সমূহৰ কাৰ্যাৱলী আৰু তুলনামূলক অধ্যয়ন কৰে।